**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-02-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। আমেৰিকা যুক্তৰাষ্ট্ৰত অবৈধভাৱে বসবাস কৰা ভাৰতীয় লোকক দেশখনৰ পৰা বিতাড়ণৰ বিষয়ক লৈ বিৰোধী পক্ষৰ সদস্যসকলে আজি সংসদৰ দুয়োখন সদনত পৰিস্থিতি উত্তপ্ত কৰি তোলে।

২। পৰীক্ষা পে চৰ্চা অষ্টম সংস্কৰণ অহা ১০ ফেব্ৰুৱাৰীত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

৩। বাংলাদেশৰ ৰাজধানী ঢাকাত কালি নিশা একাংশ প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ উপস্থিতিত বুলড'জাৰৰ সহায়ত বংগবন্ধু স্মাৰক সংগ্ৰহালয় ভাঙি পেলায়।

৪। বি এছ এফে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ অঞ্চলটোত নিয়োজিত ছেক্টৰ কমাণ্ডাৰসকলক নিৰ্দেশ দিছে। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ আজি প্ৰথমখন খেলত ইংলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছে।

oooooo

আমেৰিকা যুক্তৰাষ্ট্ৰত অবৈধভাৱে বসবাস কৰা ভাৰতীয় লোকক দেশখনৰ পৰা বিতাড়ণৰ বিষয়ক লৈ বিৰোধী পক্ষৰ সদস্যসকলে আজি সংসদৰ দুয়োখন সদনত পৰিস্থিতি উত্তপ্ত কৰি তোলে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি দিনৰ ২ বজাত এই বিষয়টোৰ সন্দৰ্ভত এটা বিবৃতি প্ৰকাশ কৰিব।

দিনৰ ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টিকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে ভাৰতীয় লোকক বিতাড়ণৰ বিষয়টোৰ প্ৰতিবাদ কৰাৰ লগতে শ্ল'গান দিবলৈ আৰম্ভ কৰে। সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি বিষয়টোৰ আলোচনাৰ দাবী জনায়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী সদস্যসকলক সদনৰ কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনাই যদিও সকলো অথলে যায়। পাছত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে। ইয়াৰ পূৰ্বে একেটা বিষয়কে লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ দুয়োখন সদনৰ কাম-কাজ দিনৰ ১২ বজালৈ স্থগিত ৰখা হয়। লোকসভাত আজি পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, সমাজবাদী পাৰ্টী, তৃণমূল কংগ্ৰেছকে ধৰি অন্যান্য বিৰোধী দলসমূহে বিষয়টোৰ আলোচনাৰ দাবীত শ্ল'গান দিবলৈ আৰম্ভ কৰে। কংগ্ৰেছে ইয়াৰ পূৰ্বে সদন স্থগিতৰ প্ৰস্তাৱ উত্থাপন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই বিষয়টোত এখন বিদেশী ৰাষ্ট্ৰ জড়িত হৈ আছে বুলি উল্লেখ কৰি প্ৰতিবাদৰত সদস্যসকলক সদনৰ কাম-কাজ নিয়াৰিকৈ আগবঢ়াই নিয়াত সহযোগত কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতো বিৰোধী সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই নিম্ন সদনৰ কাম-কাজ দিনৰ ১২ বজালৈ স্থগিত ৰাখে।

ৰাজ্যসভাত দিনৰ ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে এই সন্দৰ্ভত বিবৃতি প্ৰকাশ কৰিব বুলি জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে পুৱাৰ ভাগত উচ্চ সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে ভাৰতীয় লোকক বিতাড়ণৰ বিষয়টোক লৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বিষয়টোৰ আলোচনাৰ দাবী জনায়। হুলস্থুলীয়া পৰিৱেশৰ মাজত উপ-সভাপতি হৰিবংশে উচ্চ সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসভাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সংসদৰ যুটীয়া বৈঠকক উদ্দেশ্যি দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰ দিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই কথা প্ৰকাশ কৰিছে। দুদিন পূৰ্বে লোকসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০০০

পৰীক্ষা পে চৰ্চাৰ অষ্টম সংস্কৰণ অহা ১০ ফেব্ৰুৱাৰীত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। নতুন আঙ্গিকেৰে হ'বলগীয়া এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভিন্ন বৃত্তিৰ বিশিষ্ট ব্যক্তিসকলে নিজৰ অভিজ্ঞতা শিক্ষাৰ্থীসকলৰ সৈতে বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ইউ টিউব চেনেল আৰু তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। চলিত বৰ্ষত এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় ৩ কোটি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে আবেদন কৰিছে। ইয়াৰ ভিতৰত ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব পাৰিব। এই অনুষ্ঠানত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে সন্মুখীন হোৱা মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত আলোকপাত কৰা হয়। এই অনুষ্ঠানৰ বাবে অনলাইনযোগে আবেদন কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ পৰা ৬ৰ পৰা ১২ গৰাকীক যোগ্য বিবেচনা হয়।

০০০০০০

বাংলাদেশৰ ৰাজধানী ঢাকাত কালি নিশা একাংশ প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ উপস্থিতিত বুলড'জাৰৰ সহায়ত বংগবন্ধু স্মাৰক সংগ্ৰহালয় ভাঙি পেলায়। বাংলাদেশৰ জনক তথা দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ পিতৃ বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ এই বাসভৱনটোক পৰৱৰ্তীকালত সংগ্ৰহালয়ৰূপে চিহ্নিত কৰা হৈছিল। প্ৰতিবাদকাৰীসকলে কালি নিশা প্ৰায় চাৰে ৮ বজাত সংগ্ৰহালয়টো লণ্ডভণ্ড কৰে আৰু ইয়াৰ সামগ্ৰীসমূহ ধ্বংস কৰাৰ পাছত জুই লগাই দিয়ে। এই ধ্বংসকাৰ্য নিশা প্ৰায় ১১ বজালৈ অব্যাহত থকাৰ পাছত প্ৰতিবাদকাৰীসকলে এখন এক্সকেভেটৰ জৰিয়তে সংগ্ৰহালয়টো সমুলঞ্চে ধ্বংস কৰাৰ চেষ্টা চলায়। ১৯৭৫ চনৰ ১৫ আগষ্টত দেশখনত সামৰিক বাহিনীৰ একাংশই চলোৱা সামৰিক অভ্যুত্থানৰ সময়ত তেতিয়াৰ দেশখনৰ ৰাষ্ট্ৰপতি শ্বেখ মুজিবুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ প্ৰায়সকল সদস্য ধানমণ্ডিৰ এই বাসভৱনতে আততায়ীৰ গুলীৰ আঘাতত নিহত হৈছিল। বাংলাদেশৰ সংবাদপত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি সামাজিক মাধ্যমত **ধানমণ্ডি থাৰ্টিটুলৈ বুলড'জাৰ সমদল** শীৰ্ষক এটা কাৰ্যসূচীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে এই ধ্বংসকাৰ্যত সমবেত হ'বলৈ অন্যান্য সকলক আহ্বান জনাইছিল। প্ৰশাসনে এই ধ্বংসকাৰ্য ৰোধ কৰিবলৈ পাৰ্যমানে চেষ্টা চলাইছিল বুলি দাবী কৰে, যদিও প্ৰত্যক্ষদৰ্শীয়ে সংগ্ৰহালয়ৰ দিশে যোৱা সমদলক বাধা দিবলৈ কোনো বিশেষ চেষ্টা কৰা নাছিল বুলি উল্লেখ কৰে। ইফালে শ্বেইখ হাছিনাৰ প্ৰয়াত স্বামী ড০ এম এ ৰাজেদৰ ঢাকাত থকা বাসগৃহতো অগ্নিসংযোগ কৰে। আমাৰ ঢাকাৰ সংবাদদাতাই জনোৱা মতে

প্ৰতিবাদকাৰীয়ে যোৱা নিশা দেশখনৰ ৰাজশ্বাহী, ছিলেট, কুষ্টিয়া আদি ঠাইত থকা আৱামী লীগৰ ভালেসংখ্যক নেতাৰ বাসগৃহতো আক্ৰমণ চলাই ধ্বংস কৰে।

০০০০০০

সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বি এছ এফে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৪ হাজাৰ ৯৬ কিলোমিটাৰজোৰা এলেকাত অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ অঞ্চলটোত নিয়োজিত ছেক্টৰ কমাণ্ডাৰসকলক নিৰ্দেশ দিছে। বাহিনীটোৱে সেই অঞ্চলৰ বাসিন্দা নাইবা প্ৰতিবেশী ৰাষ্ট্ৰৰ সীমান্ত সুৰক্ষা বাহিনীয়ে কৰা এনে নিৰ্মাণৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিছে। উল্লেখযোগ্য যে যোৱা বছৰটোত সীমান্ত অঞ্চলত এনে ৮০টা অবৈধ নিৰ্মাণৰ ঘটনা পোহৰলৈ আহিছিল। বাহিনীটোৰ শিলিগুৰিত থকা নৰ্থ বেংগল ফ্ৰণ্টিয়াৰৰ সূত্ৰই প্ৰকাশ কৰা মতে এনে নিৰ্মাণ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। বি এছ এফে কালি জাৰি কৰা এটা বিবৃতি অনুসৰি অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত বাংলাদেশী দুষ্কৃতিকাৰীয়ে ভাৰতৰ সীমান্ত অঞ্চলৰ দক্ষিণ দিনাজপুৰ জিলাৰ মালিকপুৰত যোৱা নিশা প্ৰৱেশ কৰি সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানৰ ওপৰত আক্ৰমণৰ চেষ্টা চলায়। ইয়াৰ ফলত এজন জোৱান আহত হোৱাৰ লগতে এজন বাংলাদেশী নাগৰিক আহত হয়। এই দুষ্কৃতিকাৰীকেইজনে ভাৰতত মাদকদ্ৰব্যৰ চোৰাং সৰবৰাহ আৰু ডকাইতিৰ অভিসন্ধিৰে প্ৰৱেশ কৰা বুলি বাহিনীটোৰ সূত্ৰই প্ৰকাশ কৰে। এই লোকসকলে বি এছ এফৰ জোৱানৰ অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নিয়াৰো চেষ্টা চলাইছিল যদিও সফল নহ'ল বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বাহিনীটোৰ অসম আৰু ত্ৰিপুৰা ফ্ৰণ্টিয়াৰকে ধৰি সকলো সীমান্ত সুৰক্ষা গোটকে বাংলাদেশ সীমান্তত কঠোৰ সতৰ্কতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

দিল্লী বিধানসভা নিৰ্বাচন কালি শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হোৱাৰ পাছত নিৰ্বাচন আয়োগ আৰু আৰক্ষীৰ কটকটীয়া নিৰাপত্তাৰ মাজত ইভিএমসমূহ ষ্ট্ৰংৰুমত ৰখা হৈছে। ই ভি এমত ভাগ্য বন্দী হৈ থকা এই নিৰ্বাচনৰ গুৰুত্বপূৰ্ণ প্ৰাৰ্থীসকলৰ ভিতৰত আম আদমী পাৰ্টিৰ মুখ্য আহ্বায়ক অৰবিন্দ কেজৰিৱাল, আতিশী, মনিষ ছিছ'দিয়া, বিজেপিৰ পাৰভেশ বাৰ্মা, বিজেন্দৰ গুপ্তা, অৰবিন্দৰ সিং লাভলী আৰু ৰমেশ বিধুৰী, কংগ্ৰেছৰ দেবেন্দ্ৰ যাদৱ, সন্দিপ দীক্ষিত আৰু অলকা লাম্বা অন্যতম। কালি উত্তৰ-পূব দিল্লী জিলাত সৰ্বাধিক ৬৬ দশমিক ২-৫ শতাংশ আৰু দক্ষিণ-পূব দিল্লীত সৰ্বনিম্ন ৫৬ দশমিক ৩-১ শতাংশ ভোটদান সম্পন্ন হয়। ভোটগণনাৰ বাবে দিল্লীৰ ১১ খন জিলাত ১৯টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। অহা শনিবাৰে ৭০ খন আসনৰ বাবে ৬৯৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব।

০০০০০০

এইবছৰৰ জানুৱাৰী মাহত শ্ৰীলংকালৈ অভিলেখসংখ্যক- ২ লাখ ৫২ হাজাৰ পৰ্যটকৰ আগমন ঘটে। ইয়াৰে অধিকাংশই হৈছে ভাৰতীয় পৰ্যটক। পৰ্যটকৰ এই সংখ্যা ক'ভিড পূৰ্ব সংখ্যাতকৈও অধিক বুলি দেশখনৰ পৰ্যটন উন্নয়ন কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। শ্ৰীলংকা ভ্ৰমণলৈ যোৱা পৰ্যটকৰ প্ৰায় ১৭ দশমিক ২ শতাংশই হৈছে ভাৰতীয় পৰ্যটক। যোৱা মাহটোত ৰাছিয়াৰ পৰা শ্ৰীলংকা ভ্ৰমণলৈ যোৱা পৰ্যটকৰ সংখ্যা আছিল প্ৰায় ১৩ দশমিক ৫ শতাংশ। ইয়াৰ পাছতে ৮ দশমিক ৬ শতাংশ আমেৰিকাৰ পৰ্যটকে শ্ৰীলংকা ভ্ৰমণ কৰিছিল। এই বছৰ দেশখন ভ্ৰমণলৈ যোৱা পৰ্যটকৰ সংখ্যা ৩ নিযুতলৈ বৃদ্ধি পাব বুলি শ্ৰীলংকা পৰ্যটন কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ কোনো কোনো অংশত ধুমুহা, গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। আকাশবাণীৰ বাতৰিৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত বতৰ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী ড০ সোমা সেন ৰয়ে অহা দুদিনলৈ অৰুণাচল প্ৰদেশ আৰু অসমত প্ৰৱল বৰষুণ আৰু ধুমুহাৰ আগজাননী দিছে।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া একদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ আজি মহাৰাষ্ট্ৰৰ নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত আৰম্ভ হোৱা প্ৰথমখন খেলত ইংলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছে। এই মাহৰ অন্তত হ'বলগীয়া চেম্পিয়নছ ট্ৰফীৰ পূৰ্বে দুয়োটা দলে এই শৃংখলাত নিজৰ প্ৰদৰ্শন পৰীক্ষা কৰিব। ভাৰতে শেহতীয়াকৈ আলহী দলটোৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাত ৪-১ৰ বৃহৎ ব্যৱধানত শৃংখলা দখল কৰে।

০০০০০০

**সমাপ্ত**